# মানৱ বন্দনা

**চন্দ্ৰকুমাৰ আগৰৱালা**

আহিছে মানুহ গইছে মানুহ
মানুহ ময়াপী জীৱ,
মানুহ সোঁতৰ অন্ত নাইকিয়া
বুলিলে মৰত কিয়?
মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

**কবি-পৰিচয় :**

**চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) ঃ** অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম। ৰোমাণ্টিক যুগৰ এগৰাকী শ্ৰেষ্ঠ কবি। কবিতা পুথি—'প্ৰতিমা' (১৯১৪) আৰু 'বীণ ব'ৰাগী' (১৯২৩)। সম্পাদিত কাকত-আলোচনী—'জোনাকী', 'সাদিনীয়া অসমীয়া'।

**পাঠবোধ ঃ**

উদাৰ মানৱতাবাদ প্ৰকাশ পোৱা 'মানব বন্দনা' কবিতাটিৰ মাজেদি কবিৰ মানৱ সেৱাৰ মনোভাৱ অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। মানুহৰ পাৰস্পৰিক মৰম-চেনেহৰ জৰিয়তে যে এই মৰ্ত্যতেই স্বৰ্গৰ সুখ লাভ কৰিব পাৰি এই কথাও কবিতাটিত পৰিস্ফুত হৈছে। কবিতাটিৰ সাংগীতিক লয়ো ইয়াৰ আন এক বিশেষত্ব। মানুহৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটোৱেই কবিতাটোৰ ঘাই উদ্দেশ্য।

**শব্দাৰ্থ আৰু টোকা :**

| | | |
|---|---|---|
| অৰ্ঘ্য | : | পূজাৰ উপকৰণ। |
| কেৱ | : | কেও, কোনো। |
| ধৰম | : | ধৰ্ম। |
| নিজাপী | : | সম্পূৰ্ণ নিজৰ। |
|ময়াপী | : | মায়া, মোহ, ভ্ৰান্তি উপজোৱা জীৱ। |
| পৰাৎপৰ | : | শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ, পৰম সত্য। |
| পাদ্য | : | ভৰি ধুবলৈ দিয়া পানী। |

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক :**

১। চমু উত্তৰ লিখা ঃ

ক) 'মানুহেই পৰাৎপৰ' বোলা কথাষাৰৰ অৰ্থ কি?

খ) মানুহক 'ময়াপী জীৱ' বোলাৰ অৰ্থ কি?

গ) পাদ্য অৰ্ঘ্য লৈ মানুহক পূজা কৰাৰ অৰ্থ কি?

২। 'মানৱ বন্দনা' কবিতাটিৰ সাৰাংশ তোমাৰ নিজৰ কথাৰে বিৱৰি লিখা।

৩। 'এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।'—

কথাষাৰৰ অৰ্থ বুজাই লিখা।

৪। তাৎপৰ্য ব্যাখ্যা কৰা :

(ক) মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,

মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।

(খ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় জয় মানৱ দেৱ।

ভাষা-বিষয়ক :

৫। সমাৰ্থক শব্দ লিখা ঃ

মানুহ; সংগ; পৃথিৱী; সোঁত; স্বৰ্গ; দেৱ।

৬। সংস্কৃত কৰ্ম, ধৰ্ম আদি শব্দৰ পৰা কৰম, ধৰম আদি শব্দৰ উৎপত্তি হৈছে। এনে কিছুমান শব্দ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা।

● ● ●